**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 27-03-2024
**Time :** 19-10 Hrs.

***Assamese Evening Bulletin***
***HEADLINES***

১। প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল পৰ্বৰ আজি সামৰণি পৰে।
২। দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কাইলৈ অধিসূচনা জাৰি কৰা হ'ব।
৩। অসমত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মুঠ ৩৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে।
৪। ভাৰতে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ গ্ৰেপ্তাৰ সন্দৰ্ভত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰগৰাকীয়ে কৰা মন্তব্যক লৈ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে। *আৰু*
৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছত হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হবলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হ'ব।

০০০০

প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মনোনয়ন পত্ৰ দাখিল পৰ্বৰ আজি সামৰণি পৰে। অৱশ্যে এই পৰ্যায়কত সামৰি লবলগীয়া বিহাৰৰ সংসদীয় সমষ্টিকেইটাৰ বাবে কাইলৈহে মনোনয়ন পত্ৰ দাখিলৰ অন্তিম দিন হব। প্ৰথম পৰ্যায়ত দেশৰ ১৭ খন ৰাজ্য আৰু ৪ খন কেন্দ্ৰীয়শাসিত অঞ্চলৰ অন্তৰ্গত মুঠ ১০২টা লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। ইয়াৰে ভিতৰত তামিলনাডুৰ ৩৯ টা, ৰাজস্থানৰ ১২ টা, উত্তৰ প্ৰদেশৰ ৮টা, মধ্যপ্ৰদেশৰ ছটা, অসম, উত্তৰাখণ্ড আৰু মহাৰাষ্ট্ৰৰ পাঁচোটাকৈ, বিহাৰৰ চাৰিটা, পশ্চিমবংগৰ তিনিটা, অৰুণাচল প্ৰদেশ, মেঘালয় আৰু মণিপুৰৰ দুটাকৈ আৰু মিজোৰাম, নাগালেণ্ড, ত্ৰিপুৰা, ছিকিম, ছত্তিশগড়, আন্দামান আৰু নিকোবৰ দ্বীপপুঞ্জ, জম্মু -কাশ্মীৰ, লাক্ষাদ্বীপ আৰু পুডুচেৰীৰ এটাকৈ লোকসভা সমষ্টি আছে। কাইলৈ মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰা হ'ব। মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ অন্তিম দিন হ'ল অহা ৩০ মাৰ্চ। বিহাৰত ৩০ মাৰ্চত মনোনয়ন পত্ৰসমূহ পৰীক্ষা কৰাৰ বিপৰীতে মনোনয়ন পত্ৰ প্ৰত্যাহাৰৰ শেষ দিন হ'ব অহা ২ এপ্ৰিল। এইটো পৰ্যায়ৰ বাবে ১৯ এপ্ৰিল ভোটগ্ৰহণৰ দিন ধাৰ্য কৰা হৈছে।

০০০০

দ্বিতীয় পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে কাইলৈ অধিসূচনা জাৰি কৰা হ'ব। এই পৰ্যায়ত দেশৰ ১২ খন ৰাজ্য আৰু এখন কেন্দ্ৰীয় শাসিত অঞ্চলৰ অন্তৰ্গত মুঠ ৮৯ খন আসনৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। দ্বিতীয় পৰ্যায়ত কেৰালাৰ ২০ টা, কৰ্ণাটকৰ ১৪ টা, ৰাজস্থানৰ ১৩ টা, উত্তৰ প্ৰদেশ আৰু মহাৰাষ্ট্ৰৰ আঠটাকৈ, মধ্যপ্ৰদেশৰ ৭টা, অসম আৰু বিহাৰৰ ৫ টাকৈ, পশ্চিমবংগ আৰু ছত্তিশগড়ৰ তিনিটাকৈ আৰু মণিপুৰ, ত্ৰিপুৰা আৰু জম্মু-কাশ্মীৰৰ এটাকৈ লোকসভা সমষ্টিৰ বাবে ভোটগ্ৰহণ কৰা হ'ব। অহা ২৬ এপ্ৰিলত ভোটগ্ৰহণ হ'বলগীয়া এই সমষ্টিসমূহৰ বাবে মনোনয়ন পত্ৰ দাখিলৰ শেষ দিন হ'ব ৪ এপ্ৰিল। জম্মু-কাশ্মীৰৰ বাহিৰে এই পৰ্যায়ত সামৰি লবলগীয়া

আটাইকেইটা সমষ্টিৰ মনোনয়ন পত্ৰসমূহ ৫ এপ্ৰিলত পৰীক্ষা কৰা হব। জম্মু-কাশ্মীৰত মনোনয়ন পত্ৰসমূহ ৬ এপ্ৰিলত পৰীক্ষা কৰা হব।

০০০০

অসমত প্ৰথম পৰ্যায়ৰ লোকসভা নিৰ্বাচনৰ বাবে মুঠ ৩৮ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰিছে। আজি অন্তিম দিনা ২৬ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰে। কাজিৰঙা লোকসভা সমষ্টিৰ বাবে ৯ গৰাকী, শোণিতপুৰ সমষ্টিৰ বাবে ৭ গৰাকী, লখিমপুৰৰ বাবে ৫ গৰাকী, ডিব্ৰুগড়ৰ বাবে এগৰাকী আৰু যোৰহাটৰ বাবে ৪ গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন দাখিল কৰিছে।

বিজেপিৰ নেতা তথা মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মা, মন্ত্ৰী কেশৱ মহন্ত আৰু সমৰ্থকৰ উপস্থিতিত যোৰহাট লোকসভা সমষ্টিৰ বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী তপন কুমাৰ গগৈয়ে জিলা আয়ুক্ত কাৰ্যালয়ত মনোনয়ন দাখিল কৰে।

একেদৰে মুখ্যমন্ত্ৰী ড০ শৰ্মা, অগপৰ সভাপতি তথা মন্ত্ৰী অতুল বৰা, কাৰ্যকৰী সভাপতি কেশৱ মহন্ত, মন্ত্ৰী অজন্তা নেওগৰ উপস্থিতিত   কাজিৰঙা লোকসভা সমষ্টিৰ বাবে বিজেপি মিত্ৰজোঁটৰ প্ৰাৰ্থী কামাখ্যা প্ৰসাদ তাছাই মনোনয়ন দাখিল কৰে।

আনহাতে, বিজেপি মিত্ৰজোঁট সমৰ্থিত প্ৰাৰ্থী ৰঞ্জিত দত্তই সমৰ্থকৰ সৈতে সংশ্লিষ্ট জিলাৰ আয়ুক্তৰ কাৰ্যালয়ত উপস্থিত হৈ শোণিতপুৰ লোকসভা সমষ্টিৰ বাবে মনোনয়ন দাখিল কৰে।

কংগ্ৰেছ তথা বিৰোধী ঐক্যমঞ্চৰ কেইবাগৰাকী প্ৰাৰ্থীয়েও আজি মনোনয়ন পত্ৰ দাখিল কৰে। ইয়াৰ ভিতৰত লখিমপুৰৰ কংগ্ৰেছ প্ৰাৰ্থী উদয় শংকৰ হাজৰিকাও আছে।

০০০০

নিৰ্বাচন আয়োগে নিৰ্বাচনৰ সময়ত ২৭ টা তথ্য প্ৰযুক্তি এপ্লিকেশ্বনৰ সহায়ত প্ৰযুক্তিৰ বহুল প্ৰয়োগ কৰিছে। এপ আৰু পোৰ্টেলৰ মাধ্যমেৰে প্ৰযুক্তিৰ ব্যৱহাৰে প্ৰাৰ্থী, জনসাধাৰণ আৰু নিৰ্বাচন প্ৰক্ৰিয়া সুক্ষ্মভাৱে নিৰীক্ষণ কৰি থকা বিষয়াসকলৰ বাবে গোটেই প্ৰক্ৰিয়াটো সৰল কৰি তুলিছে।

০০০০

ভাৰতে দিল্লীৰ মুখ্যমন্ত্ৰী অৰবিন্দ কেজৰিৱালৰ গ্ৰেপ্তাৰ সন্দৰ্ভত আমেৰিকা যুক্তৰাষ্ট্ৰৰ বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰগৰাকীয়ে কৰা মন্তব্যক লৈ তীব্ৰ প্ৰতিবাদ সাব্যস্ত কৰিছে। বিদেশ মন্ত্ৰালয়ে এটা বিবৃতিযোগে কৈছে যে নতুন দিল্লী মহলে দেশৰ আইনী প্ৰক্ৰিয়া সন্দৰ্ভত আমেৰিকাৰ বিদেশ মন্ত্ৰালয়ৰ মুখপাত্ৰগৰাকীয়ে কৰা মন্তব্যৰ তীব্ৰ বিৰোধিতা কৰে। মন্ত্ৰালয়ে কয় যে, ৰাষ্ট্ৰসমূহে আন দেশৰ সাৰ্বভৌমত্ব আৰু অভ্যন্তৰীণ বিষয়ৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰিব বুলি আশা কৰা হয়। বিশেষকৈ একে ধৰণৰ গণতান্ত্ৰিক শাসন ব্যৱস্থাৰ দেশৰ ক্ষেত্ৰত এই দায়িত্ব অধিক হয় অন্যথা ইয়াৰ পৰা অসুস্থ উদাহৰণৰ সূচনা হ'ব পাৰে বুলি বিদেশ মন্ত্ৰালয়ে প্ৰকাশ কৰিছে। বিদেশ মন্ত্ৰালয়ে কৈছে যে, কোনো এখন দেশৰ আইনী প্ৰক্ৰিয়া নিৰপেক্ষ আৰু সময় নিৰ্ধাৰিত ফলাফলৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধ স্বতন্ত্ৰ ন্যায়পালিকাৰ ওপৰত আধাৰিত। এনে ধৰণৰ ঘটনা সন্দৰ্ভত ইটোৰ পিছত সিটোকৈ মন্তব্য দিয়াটো অনুচিত বুলি মন্ত্ৰালয়ে উল্লেখ কৰিছে। ইফালে ভাৰতে কেজৰিৱালৰ গ্ৰেপ্তাৰ সন্দৰ্ভত আমেৰিকাই কৰা মন্তব্যৰ বাবে নতুন দিল্লীত থকা দেশখনৰ দূতাবাসৰ মিছনৰ কাৰ্যকৰী উপ মুৰব্বী গৰাকীক আজি তলব কৰে।

০০০০

কংগ্ৰেছৰ সভাপতি মল্লিকাৰ্জুন খাৰ্গেই দেশৰ বৰ্ধিত নিবনুৱাৰ হাৰক লৈ মোদী চৰকাৰক তীব্ৰ সমালোচনা কৰিছে। শ্ৰীখাৰ্গে আজি সামাজিক মাধ্যমযোগে আন্তৰাষ্ট্ৰীয় শ্ৰম সংস্থাৰ প্ৰতিবেদনৰ উদ্ধৃতিৰে কয় যে, ভাৰতত কৰ্ম সংস্থাপনহীন লোকৰ ৮৩ শতাংশই যুৱ প্ৰজন্ম আৰু গ্ৰামাঞ্চলৰ মাত্ৰ ১৭ শতাংশ যুৱক-যুৱতীৰ হাততহে নিয়মীয়া কাম আছে। তেওঁ ২০১২ চনৰ তুলনাত মোদী চৰকাৰৰ অধীনত কৰ্ম সংস্থাপনহীন যুৱক যুৱতীৰ সংখ্যা ৩ গুণ বৃদ্ধি পোৱা বুলি অভিযোগ তোলে।

কংগ্ৰেছে খনন ব্যৱসায় জনাৰ্দন ৰেড্ডীক পুনৰ দলত অন্তৰ্ভুক্ত হোৱাৰ অনুমতি প্ৰদান কৰাৰ বাবেও বিজেপিক তীব্ৰ সমালোচনা কৰিছে। নতুন দিল্লীত সংবাদ মাধ্যমৰ সৈতে হোৱা কথাবতৰাত কংগ্ৰেছ্ দলৰ নেতা পৱন খেৰাই জনাৰ্দন ৰেড্ডীৰ বিৰুদ্ধে ২০ টাকৈ গোচৰ থকা বুলি আৰু বিজেপিয়ে ব্যৱসায়গৰাকীক ৰক্ষণাবেক্ষণ দিয়া বুলি অভিযোগ তোলে। তেওঁ লগতে নিৰ্বাচন বণ্ডসমূহ অবৈধ বুলি ঘোষণা কৰাৰ পাছত জনাৰ্দন ৰেড্ডীৰ অন্তৰ্ভুক্তি বিজেপিৰ  দ্বিতীয় পৰিকল্পনা বুলি অভিহিত কৰে।

০০০০

আম আদমী পাৰ্টীৰ লোক সভাৰ একমাত্ৰ সদস্য তথা জলন্ধৰৰ সাংসদ সুশীল কুমাৰ ৰিংকু আৰু দলৰ বিধায়ক শীতল অংগুৰালে  বিজেপিত যোগদান কৰিছে। তেওঁলোকে আজি নতুন দিল্লীত থকা বিজেপিৰ মুখ্য কাৰ্যালয়ত দলৰ সাধাৰণ সম্পাদক বিনোদ তাওড়েৰ উপস্থিতিত সদস্যপদ গ্ৰহণ কৰে। এই উপলক্ষে শ্ৰী ৰিংকুৱে এইবুলি অভিযোগ কৰে যে, আম আদমী পাৰ্টীৰ সমৰ্থন লাভ নকৰা বাবেই তেওঁ জলন্ধৰৰ জনসাধাৰণক দিয়া প্ৰতিশ্ৰুতি পূৰণ কৰিব পৰা নাই। সাংসদগৰাকীয়ে কয় যে, তেওঁক প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদী আৰু কেন্দ্ৰীয় গৃহ মন্ত্ৰী অমিত শ্বাহৰ কৰ্মশৈলীয়ে আকৰ্ষিত কৰিছে।

০০০০

বিজু জনতা দলে আজি আগন্তুক লোকসভা আৰু বিধানসভা নিৰ্বাচনৰ প্ৰাৰ্থীৰ নাম ঘোষণা কৰে। বিজেডিৰ সভাপতি তথা ওড়িশাৰ মুখ্যমন্ত্ৰী নবীন পাটনাইকে ৰাজ্যখনৰ ২১খন লোকসভা আসনৰ ভিতৰত ৯ গৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা কৰে৷

ওড়িশাৰ মুখ্যমন্ত্ৰীগৰাকীয়ে  গঞ্জাম জিলাৰ হিঞ্জীলি সমষ্টিৰ পৰা প্ৰতিদ্বন্দ্বিতা কৰিব । সম্বলপুৰ লোকসভাৰ আসনত বিজেডিৰ সাধাৰণ সম্পাদক (সংগঠন) প্ৰণৱ প্ৰকাশ দাসক কেন্দ্ৰীয় মন্ত্ৰী তথা বিজেপি প্ৰাৰ্থী ধৰ্মেন্দ্ৰ প্ৰধানৰ বিৰুদ্ধে প্ৰক্ষেপ কৰা হৈছে । বিজেডিয়ে ওড়িশাৰ ১৪৭খন বিধানসভা আসনৰ বাবে ৭২ গৰাকী প্ৰাৰ্থীৰ নাম ঘোষণা কৰিছে৷

০০০০

আমেৰিকাৰ ৰাষ্ট্ৰপতি জো বাইডেনে  কালি মেৰিলেণ্ডৰ বাল্টিমোৰত ফ্ৰান্সিছ স্কট কী দলঙৰ এটা স্তম্ভৰ সৈতে সংঘৰ্ষ হোৱা ‘ডালি’ নামৰ জাহাজখনত থকা ভাৰতীয় যাত্ৰীসকলে জৰুৰী অনাতাঁৰ বাৰ্তা মে ’ডে কল প্ৰেৰণ কৰি অধিক হতাহতি ৰোধ কৰাৰ সম্ভাৱনাক প্ৰশংসা কৰিছে । দুৰ্ঘটনাটোৰ সময়ত স্থানীয় কৰ্তৃপক্ষই গ্ৰহণ কৰা তৎকালীন ব্যৱস্থা গ্ৰহণকো তেওঁ প্ৰশংসা কৰে৷

ইফালে, ৱাশ্বিংটনত থকা ভাৰতীয় দূতাবাসে এই "দুৰ্ভাগ্যজনক দুৰ্ঘটনা"ৰ বাবে শোক প্ৰকাশ কৰিছে, আৰু এই দুৰ্ঘটনাত ক্ষতিগ্ৰস্ত হ'ব পৰা বা সহায়ৰ প্ৰয়োজন হ'ব পৰা যিকোনো ভাৰতীয় নাগৰিকৰ বাবে এটা হটলাইন মুকলি কৰিছে।

0000

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছুসময়ৰ পাছত হায়দৰাবাদৰ ৰাজীৱ গান্ধী আন্তঃৰাষ্ট্ৰীয় ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত মুম্বাই ইণ্ডিয়ানছ ছানৰাইজাৰ্ছ হায়দৰাবাদৰ সন্মুখীন হ'ব। দুয়োটা দল প্ৰতিযোগিতাত নিজৰ প্ৰথম জয়ৰ লক্ষ্যৰে খেলখনত অৱতীৰ্ণ হ'ব।

ইপিনে, যোৱাবাৰৰ চেম্পিয়ন চেন্নাই ছুপাৰ কিংছে যোৱা নিশা চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত অনুষ্ঠিত আই পি এল ক্ৰিকেট প্ৰতিযোগিতাৰ এখন খেলত গুজৰাট টাইটানছক ৬৩ ৰানত পৰাস্ত কৰে। টাইটানছে ২০৭ ৰানৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেট হেৰুৱাই ১৪৩ ৰানহে কৰিবলৈ সমৰ্থ হয়।

0000

সমাপ্ত